**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 26-12-2024
**Time :** 0900  Hrs

***Assamese Morning Bulletin***
***Headlines***
**----------------------**

১। বাংলাদেশৰ অৰ্থনৈতিক আৰু ৰাজনৈতিক অস্থিৰতাৰ বাবে শেহতীয়াকৈ অসমলৈ ভালেসংখ্যক বাংলাদেশীৰ প্ৰৱেশ ঘটিছে বুলি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ প্ৰকাশ।

২। ৰাজ্যত আধাতে বিদ্যালয় এৰা শিক্ষাৰ্থীৰ সংখ্যা উদ্বেগজনকভাৱে বৃদ্ধি পোৱাৰ সমস্যা সমাধানৰ বাবে ৰাজ্য চৰকাৰৰ যথোচিত ব্যৱস্থা।

৩। দেশৰ আন প্ৰান্তৰ লগতে অসমতো বীৰ শিশু দিৱসৰ বিভিন্ন কাৰ্যসূচীৰ আয়োজন।

৪। উত্তৰ-পূব সীমান্তৰ ৰে'লৱেৰ সঘনাই দুৰ্ঘটনা সংঘটিত হোৱা  ৮০৯টা মানৱবিহীন লেভেল ক্ৰ'চিঙত বেৰিকেড দিয়াৰ কাম সম্পূৰ্ণ।   ***আৰু***

৫। আজি বিজয় হাজাৰে ট্ৰফী ৰাষ্ট্ৰীয় এদিনীয়া প্ৰতিযোগিতাৰ গ্ৰুপ পৰ্যায়ৰ খেলত অসম আৰু গুজৰাট মুখামুখি। টছত জিকি অসমক বেট ধৰাৰ আমন্ত্ৰণ গুজৰাটৰ।

০০০০০০

বাংলাদেশৰ অৰ্থনৈতিক আৰু ৰাজনৈতিক অস্থিৰতাৰ বাবে শেহতীয়াকৈ অসমলৈ ভালেসংখ্যক বাংলাদেশীৰ প্ৰৱেশ ঘটিছে বুলি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। মুখ্যমন্ত্ৰীগৰাকীয়ে কালি সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত কয়, যে বাংলাদেশৰ অৰ্থনীতিৰ অৱনতি আৰু দেশখনৰ বস্ত্ৰ উদ্যোগসমূহ বন্ধ হৈ পৰাৰ ফলত ভাৰতত বাংলাদেশৰ পৰা অনুপ্ৰৱেশ বৃদ্ধি পাইছে। এই সন্দৰ্ভত অসম সজাগ হ'বৰ হ'ল বুলি উল্লেখ কৰি ড° শৰ্মাই কয়, যে ৰাজ্যখনত প্ৰতিদিনে প্ৰায় ২০-২৫ জন বাংলাদেশীক আটক কৰা হৈছে। ৰাজ্যখনত নজনাকৈ কিমান বাংলাদেশীৰ অনুপ্ৰৱেশ ঘটিছে, সেয়া নিৰ্ণয় কৰাটো কঠিন বুলিও তেওঁ মন্তব্য কৰে। ৰাজ্যত জেহাদীৰ তৎপৰতা বৃদ্ধি পোৱা বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে এনে সংগঠনৰ সৈতে জড়িত কেইবাজনকো আৰক্ষীয়ে অস্ত্ৰ-শস্ত্ৰসহ গ্ৰেপ্তাৰ কৰিছে।

০০০০০০

ৰাজ্যত আধাতে বিদ্যালয় এৰা শিক্ষাৰ্থীৰ সংখ্যা উদ্বেগজনকভাৱে বৃদ্ধি পোৱাৰ বিষয়টো লৈ ৰাজ্য চৰকাৰ চিন্তিত হোৱাৰ লগতে এই দিশত যথোচিত ব্যৱস্থাও গ্ৰহণ কৰিছে। এই সন্দৰ্ভত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে জনোৱা অনুসৰি ইতিমধ্যে ৰাজ্য চৰকাৰে যিকেইখন জিলাত আধাতে বিদ্যালয় এৰা শিক্ষাৰ্থীৰ সংখ্যা বৃদ্ধি পাইছে সেয়া চিনাক্ত কৰি এই দিশত তৎপৰতাৰে কাৰ্যপন্থা গ্ৰহণ কৰিছে। মন্ত্ৰীগৰাকীয়ে জনোৱা অনুসৰি ৰাজ্যত মূলতঃ চাহ বাগিচা আৰু চৰ অঞ্চলসমূহত সৰ্বাধিক ছাত্ৰ-ছাত্ৰীয়ে আধাতেই বিদ্যালয় ত্যাগ কৰাৰ তথ্য পোহৰলৈ আহিছে। ইয়াৰ কাৰণ বিশ্লেষণ কৰি ইতিমধ্যে চাহ বাগিচা অঞ্চলত নতুনকৈ ১০০ খন আদৰ্শ

বিদ্যালয় স্থাপন কৰাৰ কথাও মন্ত্ৰী ডাঃ পেগুৱে জানিবলৈ দিয়ে। এই বিদ্যালয়সমূহত অহা বছৰৰ পৰা পাঠদান আৰম্ভ হ'ব। চৰ অঞ্চলতো শীঘ্ৰেই একেই ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি তেওঁ ব্যক্ত কৰে। উল্লেখযোগ্য যে কেন্দ্ৰীয় শিক্ষা মন্ত্ৰালয়ে অলপতে প্ৰকাশ কৰা প্ৰতিবেদন অনুসৰি ৰাজ্যত ২০২২-২৩ বৰ্ষত আধাতে বিদ্যালয় এৰা শিক্ষাৰ্থীৰ সংখ্যা পূৰ্বতকৈ ২ শতাংশ বৃদ্ধি পাইছে। মন্ত্ৰালয়ে প্ৰকাশ কৰা অনুসৰি ২০২১-২২ বৰ্ষত ৰাজ্যত ৮ দশমিক ৮-১ শতাংশ শিক্ষাৰ্থীয়ে আধাতে বিদ্যালয় ত্যাগ কৰিছিল। ২০২২-২৩ বৰ্ষত এই হাৰ ১০ দশমিক ৩-০ শতাংশলৈ বৃদ্ধি পায়। দক্ষিণ শালমাৰা, মানকাচৰ জিলাত আধাতে বিদ্যালয় এৰা শিক্ষাৰ্থীৰ সংখ্য আটাইতকৈ বেছি বুলি উল্লেখ কৰি শিক্ষামন্ত্ৰীগৰাকীয়ে কয়, যে বিদ্যালয়ৰ বাহিৰত থকা শিশুসকলক মূল সুঁতিলৈ অনাৰ ব্যৱস্থা কৰা হৈছে। এই সন্দৰ্ভত মন্ত্ৰীগৰাকীয়ে কয় –

**-বাইট-**

লগতে, পঞ্চম আৰু অষ্টম শ্ৰেণীত উত্তীৰ্ণ-অনুত্তীৰ্ণৰ ব্যৱস্থা প্ৰৱৰ্তন সন্দৰ্ভত প্ৰতিক্ৰিয়া ব্যক্ত কৰি ডাঃ পেগুৱে কয়, যে ৰাজ্যৰ শিক্ষা বিভাগে ২০২২ চনৰে পৰাই এই ব্যৱস্থা প্ৰৱৰ্তন কৰিছে যদিও দেশজুৰি এই ব্যৱস্থা প্ৰৱৰ্তনৰ লগে লগে বিষয়টো চৰ্চালৈ আহিছে। তেওঁ কয়, যে শিক্ষাৰ্থী এগৰাকী উত্তীৰ্ণ-অনুত্তীৰ্ণৰ বিষয়টোৰ ক্ষেত্ৰত বিদ্যালয় কৰ্তৃপক্ষই সিদ্ধান্ত ল'ব। তেওঁ কয়, যে প্ৰথম প্ৰচেষ্টাত শিক্ষাৰ্থীগৰাকী অনুত্তীৰ্ণ হ'লে আকৌ এবাৰ পৰীক্ষাত বহাৰ ব্যৱস্থা আছে আৰু দ্বিতীয় প্ৰচেষ্টাত উত্তীৰ্ণ হ'লে শিক্ষাৰ্থীগৰাকী পৰৱৰ্তী শ্ৰেণীলৈ উন্নীত কৰা হ'ব। এনে শিক্ষাৰ্থীৰ বাবে ৰি-মেডিয়েল অৰ্থাৎ প্ৰতিকাৰমূলক পাঠদানৰ ব্যৱস্থা কৰা হ'ব বুলিও তেওঁ প্ৰকাশ কৰে।

০০০০০০

আজি বীৰ শিশু দিৱস। শিখসকলৰ ধৰ্মগুৰু গোবিন্দ সিঙৰ দুই বীৰ ছহিদ পুত্ৰ বাবা ফাটেহ সিং আৰু জোৱাৱৰ সিঙৰ সোঁৱৰণত সমগ্ৰ দেশজুৰি এই দিৱস উদযাপন কৰা হৈছে। কেন্দ্ৰীয় চৰকাৰে আয়োজন কৰা এই দিৱসৰ মূল কাৰ্যসূচী প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ উপস্থিতিৰে নতুন দিল্লীৰ ভাৰত মণ্ডপমত অনুষ্ঠিত হ'ব। দুপৰীয়া ১২ বজাৰ পৰা হ'বলগীয়া এই অনুষ্ঠানতে প্ৰধানমন্ত্ৰীয়ে **সুপোচিত গ্ৰাম পঞ্চায়ত** অভিযানৰো শুভাৰম্ভ কৰিব। এই কাৰ্যসূচীৰ সময়ত প্ৰধানমন্ত্ৰী ৰাষ্ট্ৰীয় শিশু পুৰস্কাৰ বঁটাপ্ৰাপকসকলো উপস্থিত থাকিব।

দেশৰ আন প্ৰান্তৰ লগতে গুৱাহাটীতো আজি কেন্দ্ৰীয়ভাৱে বীৰ শিশু দিৱসৰ বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। মহানগৰীৰ গোপীনাথ নগৰৰ গুৰুদ্বাৰত পুৱা ১০ বজাত হ'বলগীয়া এই অনুষ্ঠানত মন্ত্ৰী অশোক সিংহল, ৰাজ্যিক বিজেপিৰ সভাপতি ভবেশ কলিতা, অসম প্ৰদেশ বিজেপিৰ প্ৰভাৰী হৰিষ দ্বিৱেদীকে ধৰি কেইবাজনো বিশিষ্ট ব্যক্তি উপস্থিত থাকিব। দক্ষিণ কামৰূপ জিলাৰ পলাশবাৰী সমষ্টিৰ অন্তৰ্গত মিৰ্জাস্থিত আৰ বি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত বীৰ শিশু দিৱসৰ সৈতে সংগতি ৰাখি এখন বিশেষ সভাৰ আয়োজন কৰা হৈছে। সভাত বিত্ত মন্ত্ৰী অজন্তা নেওগ আৰু পলাশবাৰী সমষ্টিৰ বিধায়ক হেমাংগ ঠাকুৰীয়াই অংশ ল'ব। উল্লেখযোগ্য যে বীৰ শিশু দিৱসৰ লগত সংগতি ৰাখি মাই গভ আৰু মাই ভাৰত প'ৰ্টেলৰ জৰিয়তে কুইজকে ধৰি বিভিন্ন অনলাইন প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে।

০০০০০০

উত্তৰ-পূব সীমান্তৰ ৰে'লৱেই সঘনাই দুৰ্ঘটনা সংঘটিত হোৱা মুঠ ৯৫০টা মানৱবিহীন লেভেল ক্ৰ'চিং চিনাক্ত কৰি ইয়াৰে ৮০৯টাত বেৰিকেড দিয়াৰ কাম সম্পূৰ্ণ কৰিছে। ৰে'ল বিভাগে জনোৱা অনুসৰি তিনিচুকীয়া ২৩৫টা, লামডিঙত ২২১টা, ৰঙিয়া ৮৮টা, আলিপুৰদুৱাৰত ১৭১টা আৰু কাটিহাৰত ৯৪টা স্থানত বেৰিকেড স্থাপন কৰা হৈছে। উল্লেখযোগ্য যে নিয়ম নামানি ৰে'লপথ অতিক্ৰম কৰাটো দণ্ডনীয় অপৰাধ যদিও সাধাৰণ নাগৰিকে বিষয়টো আওকান কৰাৰ ফলত সঘনাই এনে স্থানসমূহত দুৰ্ঘটনা আৰু প্ৰাণহানিৰ ঘটনা সংঘটিত হৈ আহিছে। সেয়েহে ৰে'ল সুৰক্ষা বাহিনীয়ে শিক্ষানুষ্ঠান, পঞ্চায়ত আদিত নাগৰিকৰ মাজত সজাগতা বৃদ্ধিৰ কাৰ্যসূচী লোৱাৰ লগতে উত্তৰ-পূব সীমান্ত ৰে'লৱেই অনাগত দিনত মানৱবিহীন লেভেল ক্ৰ'চিং সম্পূৰ্ণৰূপে নিষিদ্ধ কৰাৰ পদক্ষেপো গ্ৰহণ কৰাৰ কথা অৱগত কৰিছে।

oooooo

সেনা আৰু মণিপুৰ আৰক্ষীয়ে যুটীয়া অভিযান চলাই কালি ইম্ফলৰ চুড়াচান্দপুৰ পথৰ এখন দলঙৰ তলৰ পৰা ৩ দশমিক ৬ কিলোগ্ৰাম বিস্ফোৰক, ডিট'নেটৰ, কৰ্ডটেক্স আৰু অন্যান্য সামগ্ৰী জব্দ কৰে। সেনা আৰু আৰক্ষীৰ যুটীয়া দল এটাই গোপন তথ্যৰ পম খেদি এই বিস্ফোৰক সামগ্ৰীখিনি জব্দ কৰে। সন্ত্ৰাসবাদীয়ে সেনাক লক্ষ্য কৰি এই বিস্ফোৰক স্থাপন কৰিছিল বুলি সন্দেহ কৰা হৈছে।

oooooo

১৯ ডিচেম্বৰৰ পৰা চলি থকা সু-প্ৰশাসন সপ্তাহৰ সামৰণি উপলক্ষে কালি তিনিচুকীয়া জিলাত এখন বিশেষ কৰ্মশালাৰ অনুষ্ঠিত হয়। কৰ্মশালাত উপস্থিত থাকি জিলা উন্নয়ন আয়ুক্ত পবিত্ৰ কুমাৰ দাসে কয়, যে কেন্দ্ৰীয় চৰকাৰে প্ৰশাসনক ৰাইজৰ অধিক ওচৰ চপাই নিয়াৰ বাবে এই কাৰ্যসূচী গ্ৰহণ কৰিছে। এইবাৰৰ এই কাৰ্যসূচীৰ মূল বিষয় **প্ৰশাসনক গাঁৱলৈ নিয়া** আছিল বুলি উল্লেখ কৰি তেওঁ কয়, যে এই সময়ছোৱাত জিলাখনৰ আটাইবোৰ ৰাজহ চক্ৰ আৰু খণ্ড উন্নয়ন বিষয়াৰ কাৰ্যালয়ত জনতাৰ অভাৱ-অভিযোগ সমূহৰ বিষয়ে শুনানী গ্ৰহণ কৰা হয়। শুনানীৰ সময়ছোৱাত বিভিন্ন বিভাগীয় বিষয়াৰ উপস্থিতিত সমস্যাসমূহ ঠাইতে নিষ্পত্তি কৰাৰ চেষ্টা চলোৱা হয় বুলিও আয়ুক্তগৰাকীয়ে উল্লেখ কৰে। উল্লেখযোগ্য যে তিনিচুকীয়া জিলাৰ ৪টা ৰাজহ চক্ৰ ক্ৰমে- তিনিচুকীয়া, মাৰ্ঘেৰিটা, ডুমডুমা আৰু শদিয়াৰ সাতোটাকৈ উন্নয়ন খণ্ডৰ বিভিন্ন স্থানত ৰাইজৰ অভাৱ-অভিযোগসমূহৰ বাবে বিশেষ শুনানীৰ ব্যৱস্থা কৰা হৈছিল।

oooooo

গোলাঘাট জিলাৰ বন সংমণ্ডলে বন্যপ্ৰাণীৰ দ্বাৰা ক্ষতিগ্ৰস্ত লোকক সহজে ক্ষতিপৰণ প্ৰদানৰ উদ্দেশ্যে ব্যতিক্ৰমী প্ৰচেষ্টা হাতত লৈছে । ইয়াৰ অংশ হিচাপে ক্ষতিগ্ৰস্ত লোকসকলৰ বাবে মকলি আবেদন গ্ৰহণৰ ব্যৱস্তা কৰা হৈছে। গোলাঘাট জিলা বন বিষয়া সশীল কমাৰ ঠাকৰীয়া আৰু ৰাজহ চক্ৰ বিষয়া ৰনন্ময় ভদ্বাজে জিলাখনৰ ভিতৰত বন্যপ্ৰাণীৰ পৰা সৰ্বাধিক ক্ষতিগ্ৰস্ত হোৱা মৰঙী মৌজাৰ বকিয়াল বন খণ্ড কাৰ্যালয়ত নিজে উপস্থিত থাকি পীড়িতসকলৰ পৰা আবেদন গ্ৰহণ কৰিছে। চৰকাৰৰ স-শাসন কাৰ্যসচীৰ অংশস্বৰূপে গ্ৰহণ কৰা এই পদক্ষেপৰ লগতে বন বিভাগে ৰাইজৰ মাজলৈ গৈ এই সন্দৰ্ভত সজাগতা সৃষ্টিৰো ব্যৱস্থা কৰিছে।

oooooo

TET নিযুক্তি পৰীক্ষাত দশম শ্ৰেণী পৰ্যায়ৰ ১৫ নম্বৰৰ গণিতৰ প্ৰশ্ন অন্তৰ্ভুক্ত কৰা হ'ব। TET নিযুক্তি পৰীক্ষাত আন প্ৰশ্নৰ লগতে গণিতৰ প্ৰশ্নও অন্তৰ্ভুক্ত কৰা হ'ব বুলি নতুন পাঠ্যক্ৰম প্ৰকাশ কৰাৰ পাছতে প্ৰাৰ্থীসকলৰ মাজত সৃষ্টি হোৱা প্ৰতিক্ৰিয়াৰ উত্তৰত কালি শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে এইদৰে প্ৰকাশ কৰে। উল্লেখযোগ্য যে পৰীক্ষাৰ কেইদিনমান পূৰ্বে নতুন পাঠ্যক্ৰম প্ৰকাশ কৰাক লৈ ক্ষুণ্ণ হৈ পৰা একাংশ প্ৰাৰ্থীৰ আবেদনমৰ্মে গুৱাহাটী উচ্চ ন্যায়ালয়ে টেট নিযুক্তি পৰীক্ষা ১৫ দিন পিছুৱাই দিবলৈ নিৰ্দেশ দিছে। সেই অনুসৰি এই পৰীক্ষা ২৯ ডিচেম্বৰৰ পৰিৱৰ্তে ১৯ জানুৱাৰীত অনুষ্ঠিত কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে।

oooooo

আজি গুৱাহাটীৰ পৰা প্ৰকাশিত প্ৰায় আটাইকেইখন কাকতে বৰদিন উদ্‌যাপন আৰু প্ৰাক্তন প্ৰধানমন্ত্ৰী অটল বিহাৰী বাজপেয়ীৰ জন্মবাৰ্ষিকীৰ লগত সংগতি ৰাখি পালন কৰা সুশাসন দিৱসৰ বাতৰিক প্ৰথম পৃষ্ঠাত স্থান দিয়া পৰিলক্ষিত হৈছে।

ৰাজ্যৰ সমগ্ৰ শিক্ষা অভিযানে বিদ্যালয় পৰ্যায়ত হোৱা শিক্ষাৰ্থীৰ সমস্যাটো অন্ত পৰা বুলি কৰা দাবী কৰিছে। **দৈনিক অসম** কাকতে '৪ লাখ ভুৱা শিক্ষাৰ্থীৰ নাম কৰ্তন' শিৰোনামেৰে এই সম্পৰ্কীয় এটা বাতৰিক প্ৰথম পৃষ্ঠাত মুখ্য বাতৰি হিচাপে স্থান দিছে।

উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশ উজ্জ্বল ভূঞাই অপৰাধ আৰু অপৰাধীৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণৰ নামত কোনো ঘটনাৰ সৈতে জড়িত থকাৰ অভিযোগত আটক কৰা অভিযুক্তক আৰক্ষীৰ জিম্মাত এনকাউণ্টাৰ কৰা কাৰ্যক সমালোচনা কৰাৰ বাতৰিটো **অসমীয়া প্ৰতিদিন** কাকতে 'চৰকাৰী পক্ষই উগ্ৰপন্থীৰ দৰে কাম-কাজ কৰিব নোৱাৰে' শিৰোনামেৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

**আমাৰ অসম** কাকতে চীন আৰু ভাৰতৰ সীমাক লৈ দুয়োখন ৰাষ্ট্ৰৰ মাজত কূটনৈতিক আলোচনা অব্যাহত থকাৰ সময়তে চীনে ভাৰত সীমান্তৰ এল অ'চিত শেহতীয়াকৈ ১ লাখ ২০ হাজাৰ সৈনিক নিয়োজিত কৰা বুলি এটা বাতৰি প্ৰথম পৃষ্ঠাত গুৰুত্বসহকাৰে প্ৰকাশ কৰিছে। একেটা বাতৰিক **নিয়মীয়া বাৰ্তা, দৈনিক অগ্ৰদূত** আদি কাকতেও প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

**নিয়মীয়া বাৰ্তা** কাকতে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কালি আদাবাৰীস্থিত অটল উদ্যানত প্ৰাক্তন প্ৰধানমন্ত্ৰী অটল বিহাৰী বাজপেয়ীৰ প্ৰতিমূৰ্তি আনুষ্ঠানিকভাৱে উন্মোচন কৰাৰ বাতৰিক 'বাজপেয়ী-আদৱানিয়ে ৰোপণ কৰা শান্তিৰ বীজ ২০২০-ত মোদী-শ্বাহে বটবৃক্ষলৈ ৰূপান্তৰিত কৰিছে' শিৰোনামেৰে প্ৰথম পৃষ্ঠাত স্থান দিছে।

**দৈনিক জনমভূমি** কাকতে বাংলাদেশত ৫৩ বছৰৰ পাছত পাকিস্তানী সেনা প্ৰৱেশ কৰিব বুলি ওলোৱা বাতৰিয়ে তীব্ৰ চাঞ্চল্য সৃষ্টি কৰাৰ বাতৰিক প্ৰথম পৃষ্ঠাত মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে।

**অসমীয়া খবৰ** কাকতে এছ টি এফে প্ৰঘাট অভিযানৰ অধীনত মঙলবাৰে নিশা দুজনকৈ জেহাদীক গ্ৰেপ্তাৰ কৰা বাতৰিক ফটো সহকাৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

**দৈনিক অগ্ৰদূত** কাকতে বৰদিনতে আজাৰবাইজানৰ বিমান ভূপতিত হৈ কমেও ৩০ জন লোকৰ প্ৰাণহানি হোৱাৰ বাতৰিক প্ৰথম পৃষ্ঠাত স্থান দিছে। একেটা বাতৰিক আন কেইবাখনো কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

**দি আছাম ট্ৰিবিউন** কাকতে নাহৰফুটুকীৰ আক্ৰমণত ভৰলুমুখত গুৱাহাটী-উত্তৰ গুৱাহাটী সংযোগী দলং নিৰ্মাণস্থলীত নিয়োজিত এগৰাকী চালক আহত হোৱাৰ বাতৰিক প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

**দা ছেণ্টিনেল** কাকতে ২০২০ চনৰ পৰা ২০২৪ চনৰ অক্টোবৰলৈকে ৰাজ্যৰ বিভিন্ন প্ৰান্তত থকা কেন্দ্ৰীয় জল আয়োগৰ ৭টা বানৰ আগলি বতৰা প্ৰদান কেন্দ্ৰত জলস্তৰে অতিশয় বিপদৰ সীমা স্পৰ্শ কৰাৰ বাতৰিক 4 CWC Stations in Assam record extreme flood levels in 2024 শিৰোনামেৰে প্ৰথম পৃষ্ঠাত স্থান দিছে।

এয়াই আছিল আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ কেইটামান বাতৰি। এতিয়া আমি পুনৰ বাতৰিৰ মাজলৈ ঘূৰি যাও।

০০০০০০

অসমৰ ক্ৰিকেট দলে চলিত বিজয় হাজাৰে ট্ৰফী ৰাষ্ট্ৰীয় এদিনীয়া প্ৰতিযোগিতাৰ নিজৰ তৃতীয়খন গ্ৰুপৰ খেলত আজি গুজৰাটৰ বিৰুদ্ধে অৱতীৰ্ণ হৈছে। জয়পুৰত অনুষ্ঠিত খেলখন পুৱা ৯ বজাৰ পৰা আৰম্ভ হৈছে। টছত জিকি গুজৰাটে অসমক প্ৰথমে বেটিঙৰ বাবে আমন্ত্ৰণ জনায়। উল্লেখযোগ্য যে গ্ৰুপ-এত থকা অসম দলে দুখন খেলৰ পৰা ৪ পইণ্ট লাভ কৰিছে। প্ৰথম খেলখনত অসম ঝাৰখণ্ডৰ বিৰুদ্ধে পৰাস্ত হোৱাৰ পাছত দ্বিতীয় খেলখনত ওড়িশাৰ বিৰুদ্ধে জয়লাভ কৰিবলৈ সমৰ্থ হয়। গ্ৰুপত অসমে মুঠ ৭ খন খেলত অংশ ল'ব।

০০০০০০

বতৰৰ বতৰা- বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই দিয়া আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত পুৱাৰ ভাগত কুঁৱলী পৰিব যদিও দিনৰ ভাগত বতৰ ফৰকাল হৈ থাকিব। কালি গুৱাহাটীৰ সৰ্বোচ্চ তাপমাত্ৰা আছিল ২৪ দশমিক ৯ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা আছিল ১৩ দশমিক ২ ডিগ্ৰী ছেলছিয়াছ। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ২৬ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা ১৩ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই জানিবলৈ দিছে। উত্তৰ-পূৰ্বাঞ্চলৰ কেইবাখনো ৰাজ্যত পাতলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে। লগতে ঠাই বিশেষে পাতলীয়াৰ পৰা ঘনলৈকে কুঁৱলী পৰাৰো সম্ভাৱনা আছে।

০০০০০০

সমাপ্ত